**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-11-2024 **Time :** 1910 Hrs.

***Assamese EVENING Bulletin***
***HEADLINES***

১। মহাৰাষ্ট্ৰত শাসনত থকা বিজেপি নেতৃত্বৰ মহায়ুটি মৰ্চাই পুনৰ শাসনভাৰ গ্ৰহণ কৰাটো নিশ্চিত হৈছে।
২। ঝাৰখণ্ডৰ শেহতীয়া তথ্য মতে শাসনত থকা ঝাৰখণ্ড মুক্তি মৰ্চা, বিজেপি নেতৃত্বৰ এন ডি এতকৈ আগবাঢ়ি আছে।
৩। অসমৰ ৫টা বিধানসভা সমষ্টি ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰিৰ উপ-নিৰ্বাচনত এন ডি এ মিত্ৰজোঁটে আটাইকেইখন আসনত জয়ী হৈছে।
৪। চৰকাৰে সংসদৰ শীতকালীন অধিৱেশনৰ পূৰ্বে কাইলৈ এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে।

আৰু

৫। ভাৰতে আজি পাৰ্থত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্টত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে সামগ্ৰিকভাৱে ২১৮ ৰানৰ অগ্ৰগতি লাভ কৰিছে।

০০০০০০০

মহাৰাষ্ট্ৰত শাসনত থকা বিজেপি নেতৃত্বৰ মহায়ুটি মৰ্চাই পুনৰ শাসনভাৰ গ্ৰহণ কৰাটো নিশ্চিত হৈছে। ৰাজ্যখনৰ মুঠ ২৮৮খন আসনৰ ভিতৰত বিজেপিয়ে ৮০ খনত জয় লাভ কৰাৰ উপৰি ৫৩ খনত আগবাঢ়ি আছে। শিৱসেনাৰ একনাথ সিন্দে গোটে ৩৭খনত জয় লাভ কৰাৰ লগতে ২০খনত আগবাঢ়ি আছে। ৩৩ খনত এন চি পিয়ে জয় লাভ কৰাৰ বিপৰীতে ৮ খনত আগবাঢ়ি আছে। আনহাতে, কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ ভিতৰত কংগ্ৰেছে ৯ খন আসন জয় লাভ কৰিছে আৰু ছখন আসনত আগবাঢ়ি আছে। শিৱসেনাৰ উদ্ধৱ থাকৰে গোটে ১৬খনত জয় লাভ কৰিছে আৰু ৪খনত আগবাঢ়ি আছে। এন চি পি শাৰদ পাৱাৰ গোটে ৬খন আসনত জয় লাভ কৰাৰ লগতে ৪খনত আসনত আগবাঢ়ি আছে।

ঝাৰখণ্ডৰ শেহতীয়া তথ্য মতে শাসনত থকা ঝাৰখণ্ড মুক্তি মৰ্চা, বিজেপি নেতৃত্বৰ এন ডি এতকৈ আগবাঢ়ি আছে। জে এম এমে ২২খনত জয় লাভ কৰাৰ লগতে ১২ খনত আগবাঢ়ি আছে। বিজেপিয়ে ১৪খনত জয় লাভ কৰাৰ বিপৰীতে ৭খনত আগবাঢ়ি আছে। কংগ্ৰেছ দলে ১০খনত জয় লাভ কৰিছে আৰু ছখনত আগবাঢ়ি আছে। ৰাষ্ট্ৰীয় জনতা দলে দুখন আসন লাভ কৰিছে আৰু দুখন আসনত আগবাঢ়ি আছে। চি পি আই এম এলেও দুখন আসন লাভ কৰিবলৈ সমৰ্থ হৈছে।

০০০০০০০

ঝাৰখণ্ড আৰু মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ লগতে আজি ১৩খন ৰাজ্যৰ দুটা লোকসভা সমষ্টি আৰু ৪৬টা বিধানসভা সমষ্টিৰ উপ নিৰ্বাচনৰ ভোটগণনা অনুষ্ঠিত হয়। কেৰালাৰ ৱায়ানাড় লোকসভা সমষ্টিত কংগ্ৰেছৰ প্ৰিয়ংকা গান্ধী ৱাড্ৰাই তেওঁৰ নিকটতম চি পি আইৰ প্ৰাৰ্থী সত্যম ম'কাৰীক ৪লাখতকৈ অধিক ভোটত পৰাজিত কৰিছে। কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীয়ে দুটাকৈ সমষ্টিত বিজয়ী হোৱাৰ পৰিপ্ৰেক্ষিতত এই আসনখন এৰি দিয়াৰ বাবে সমষ্টিটোত পুনৰ ভোটগ্ৰহণ কৰা হৈছিল। মহাৰাষ্ট্ৰৰ নান্দেড় লোকসভা সমষ্টিত বিজেপি প্ৰাৰ্থী ডঃ চান্তুকৰাও মেৰটৰাও হাম্বাৰ্ডে তেওঁৰ প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ ছাৱন ৰবীন্দ্ৰ বসন্তৰাৱতকৈ ৩ লাখতকৈও অধিক ভোটত আগবাঢ়ি আছে আৰু তেওঁৰ বিজয় নিশ্চিত হৈছে।

অসমৰ ৫টা বিধানসভা সমষ্টি ধলাই, চিদলী, বঙাইগাঁও, বিহালী আৰু চামগুৰিৰ উপ-নিৰ্বাচনত এন ডি এ মিত্ৰজোঁটে আটাইকেইখন আসনত জয়ী হৈছে।

চিদলী সমষ্টিত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী ইউ পি পি এলৰ নিৰ্মল কুমাৰ ব্ৰহ্মই ৩৭ হাজাৰতকৈ অধিক ভোটত জয়ী হৈছে। বঙাইগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী দিপ্তীময়ী চৌধুৰীয়ে ৩৫ হাজাতকৈ অধিক ভোটত জয়লাভ কৰে।

একেদৰে বিহালী সমষ্টিত বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাল ৯ হাজাৰতকৈ অধিক ভোটত জয়ী হৈছে। ধলাই সমষ্টিত বিজেপি প্ৰাৰ্থী নিহাৰ ৰঞ্জন দাসে জয়লাভ কৰিছে। বিজেপি প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই নগাঁও জিলাৰ চামগুৰি আসন হস্তগত কৰে।

উপ-নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে ৫ খনৰ ভিতৰত ৫ খন আসনতে জয়লাভ কৰাৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দলীয় কৰ্মীসকলৰ লগতে ভোটদাতাসকললৈ ধন্যবাদ জ্ঞাপন কৰিছে। চামগুৰি সমষ্টিত ২৫ বছৰৰ অন্তত বিজেপি প্ৰাৰ্থীয়ে জয়লাভ কৰাটোৱে বিজেপি চৰকাৰৰ কল্যাণকামী মনোভাৱাপন্ন কাৰ্যপ্ৰণালীৰ প্ৰতি ৰাইজৰ সমৰ্থন আৰু বিৰোধীৰ বিভাজনকামী ৰাজনীতিক প্ৰত্যাখ্যান কৰা বুলি তেওঁ উল্লেখ কৰে।

ৰাজস্থানৰ ৭ খন আসনৰ ভিতৰত বিজেপিয়ে ৫ খন আসন লাভ কৰিছে। কংগ্ৰেছ আৰু ভাৰত আদিবাসী পাৰ্টীয়ে একোখনকৈ আসনত জয়ী হৈছে। বিহাৰতো শাসনাধিষ্ঠিত এন ডি এ মিত্ৰজোঁট চাৰিখন বিধানসভা আসনৰ আটাইকেইখনত জয়ী হৈছে। পাঞ্জাবৰ চাৰিখন আসনৰ ভিতৰত শাসকীয় আম আদমি পাৰ্টীয়ে তিনিখন আসন লাভ কৰিছে আৰু কংগ্ৰেছ এখনত জয়ী হৈছে। কৰ্ণাটকত শাসকীয় কংগ্ৰেছ দলে উপ-নিৰ্বাচন তিনিখন আসনৰ তিনিওখনতে জয়ী হৈছে। ছত্তিশগড়ৰ ৰায়পুৰ চহৰ দক্ষিণ বিধানসভা সমষ্টিত বিজেপিয়ে জয়লাভ কৰিছে। ইপিনে, মেঘালয়ৰ গাম্বেগ্ৰে আসনত শাসকীয় এন পি পি জয়ী হৈছে। বিজেপিয়ে উত্তৰাখণ্ডৰ কেদাৰনাথ আৰু গুজৰাটৰ ভাৱ বিধানসভা আসন দুখনো দখল কৰিছে। কেৰালাত চি পি আই এম আৰু কংগ্ৰেছে এখনকৈ আসন লাভ কৰিছে। উত্তৰ প্ৰদেশৰ ৯ খন আসনৰ ভিতৰত শাসকীয় বিজেপিয়ে চাৰিখন লাভ কৰিছে আৰু দুখনত আগবাঢ়ি আছে। বিজেপিৰ মিত্ৰদল আৰ এল দিয়ে এখন আসন লাভ কৰাৰ বিপৰীতে সমাজবাদী পাৰ্টি দুখন আসনত জয়ী হৈছে। মধ্য প্ৰদেশৰ দুখন আসনৰ ভিতৰত কংগ্ৰেছে বিজয়পুৰত জয়লাভ কৰিছে আৰু বিজেপি বুধনি আসনত আগবাঢ়ি আছে। ছিকিমৰ দুয়োখন আসনত এছ এম কেৰ প্ৰাৰ্থী ইতিমধ্যে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনত এন ডি এ মিত্ৰজোঁটক ঐতিহাসিক জনাদেশ প্ৰদান কৰাৰ বাবে ৰাজ্যখনৰ জনসাধাৰণ বিশেষকৈ যুৱক-যুৱতী আৰু মহিলাসকলৰ শলাগ লৈছে। তেওঁ কয়, যে এই চেনেহ আৰু আবেগ সঁচাকৈ নজিৰবিহীন। শ্ৰী মোদীয়ে লগতে ৰাজ্যখনত উন্নয়ন আৰু সু-শাসনৰ জয় হোৱা বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে। শ্ৰী মোদীয়ে এন ডি এ মিত্ৰজোঁটে মহাৰাষ্ট্ৰৰ প্ৰগতিৰ বাবে কাম কৰি যাব বুলি জনসাধাৰণক আশ্বাস দিয়ে।

বিজেপিলৈ প্ৰদৰ্শন কৰা সমৰ্থনৰ বাবে ঝাৰখণ্ডৰ জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে দলে জনসাধাৰণৰ বিষয়সমূহ উত্থাপন কৰাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰি যাব আৰু ৰাজ্যখনৰ বাবে কাম কৰি যাব। তেওঁ ৰাজ্যখনত আগবঢ়োৱা প্ৰদৰ্শনৰ বাবে ঝাৰখণ্ড মুক্তি মৰ্চা নেতৃত্বাধীন মিত্ৰজোঁটক ধন্যবাদ জ্ঞাপন কৰে। উপ-নিৰ্বাচনত এন ডি এ প্ৰাৰ্থীসকলক আশীষেৰে ধন্য কৰাৰ বাবে বিভিন্ন ৰাজ্যৰ জনসাধাৰণক ধন্যবাদ জনাই প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁলোকে জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণৰ বাবে চেষ্টাৰ অকণো ত্ৰুটি নকৰে।

ইপিনে, শিৱসেনাৰ উদ্ধৱ থাকৰে গোটৰ মুৰববী উদ্ধৱ থাকৰেই বিধানসভা নিৰ্বাচনত লাভ কৰা জয়ৰ বাবে মহায়ুটি মৰ্চাক অভিনন্দন জ্ঞাপন কৰিছে। একে সময়তে শ্ৰী থাকৰেই এনেধৰণৰ বিপুল জয় দুৰ্বোধ্য বুলি অভিহিত কৰিছে। তেওঁ লগতে মহা মিত্ৰজোঁটৰ জয়ক লৈ আশ্চৰ্য প্ৰকাশ কৰিছে।

oooooo

মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনত বিজেপি নেতৃত্বাধীন মহায়ুটি মৰ্চাৰ জয়ৰ পাছত নতুন দিল্লীত থকা বিজেপিৰ মুখ্য কাৰ্যালয়ত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। জয়ৰ আনন্দত বিজেপি কৰ্মীসকলে ঢোলৰ তালে তালে নৃত্য আৰু পৰস্পৰৰ সৈতে মিঠাই বিনিময় কৰা পৰিলক্ষিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সন্ধিয়াৰ ভাগলৈ বিজেপিৰ মুখ্য কাৰ্যালয়ৰ উদযাপনত ভাগ লোৱাৰ কথা আছে। তেওঁ লগতে দলীয় কৰ্মীসকলক উদ্দেশ্য কৰি ভাষণ দিব।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৬ সংখ্যক খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণী নিউজৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান শুনিব পৰা যাব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

চৰকাৰে সংসদৰ শীতকালীন অধিৱেশনৰ পূৰ্বে কাইলৈ এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই বৈঠকত অধ্যক্ষতা কৰিব। বৈঠকত চৰকাৰে শীতকালীন অধিৱেশনৰ সময়ছোৱাত লোকসভা আৰু ৰাজ্যসভাৰ কাম-কাজ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সকলো ৰাজনৈতিক দলৰ সহায়-সহযোগিতা কামনা কৰিব। সংসদৰ শীতকালীন অধিৱেশন সোমবাৰে আৰম্ভ হ'ব আৰু ২০ ডিচেম্বৰত অধিৱেশনৰ সামৰণি পৰিব। সোমবাৰে আৰম্ভ হ'লেও সংবিধান দিৱস উপলক্ষে মঙলবাৰে সংসদৰ বৈঠক অনুষ্ঠিত নহয়।

ooooooo

ভাৰতে আজি অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পাৰ্থত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ দ্বিতীয় দিনৰ খেলৰ সামৰণিৰ পৰলৈকে দ্বিতীয় ইনিংছত এটাও উইকেট নেহেৰুৱাকৈ ১৭২ ৰান সংগ্ৰহ কৰে। দিনান্তত যশস্বী জয়ছোৱালে ৯০ আৰু কে এল ৰাহুলে ৬২ ৰান কৰি আউট নোহোৱাকৈ থাকে। ভাৰত অষ্ট্ৰেলিয়াতকৈ সামগ্ৰিকভাৱে ২১৮ ৰানত আগবাঢ়ি আছে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই কালি ৭ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৬৭ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰি ১০৪ ৰানত বাকী তিনিটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই ৫টা, হৰ্ষিত ৰানাই তিনিটা আৰু মহম্মদ চিৰাজে দুটা উইকেট দখল কৰে।

ooooooo

**সমাপ্ত**